# 2013

## ASSAMESE

( Major )

Paper : 3.2

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates **eligible** for Internal Assessment shall answer from PART—I only ( Marks : 90 )*

---

*Candidates **not eligible** for Internal Assessment shall answer both from PART—I and PART—II ( Marks : 100 )*

PART—I

( *Marks* : 90 )

প্ৰথম খণ্ড

( পুৰণি ভাগ )

( *মূল্যাংক* : ৪০ )

১। (ক) 'কথা-গীতা'ৰ দ্বিতীয় অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক স্থিত-প্ৰজ্ঞৰ বিষয়ে কিয় কৈছিল? স্থিতপ্ৰজ্ঞৰ লক্ষণ সম্পৰ্কত তেওঁ কি কৈছিল? স্থিতপ্ৰজ্ঞ ব্যক্তিয়ে কিদৰে মোক্ষলাভ কৰে, সেই বিষয়ে আলোচনা কৰা। ২+৮+৫=১৫

*অথবা*

(খ) কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচাৰ্য্যৰ 'কথা-গীতা'ৰ ভাষা সম্পৰ্কে তোমাৰ পাঠ্য অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত দৃষ্টান্তসহ বিশ্লেষণ কৰা। ১৫

২। (ক) 'ৰামৰ বন-গমন' পাঠটিৰ সহায়ত কুঁজী চৰিত্ৰটিৰ দোষগুণ আলোচনা কৰা। ১৫

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ' শীৰ্ষক পাঠটিৰ সহায়ত মদন পূজা আৰু মোট খেলাৰ দৃশ্যৰ বৰ্ণনা দিয়া।

৩। (ক) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' পাঠটিৰ সহায়ত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) বুৰঞ্জীৰ গদ্যৰীতিৰ ব্যাকৰণগত বৈশিষ্ট্য সম্পৰ্কে তোমাৰ পাঠৰ আধাৰত আলোচনা কৰা।

## দ্বিতীয় খণ্ড

## ( আধুনিক ভাগ )

( *মূল্যাংক* : ৫০ )

৪। (ক) 'ৰাম-নৱমী' নাটখন ৰচনা কৰাৰ অন্তৰালত নাট্যকাৰৰ কি কি উদ্দেশ্য নিহিত হৈ আছিল? তীৰ্থনাথ শৰ্ম্মাৰ 'ৰাম-নৱমী' নাটক নামৰ প্ৰবন্ধটিৰ সহায়ত আলোচনা কৰা। ১৫

*অথবা*

(খ) শিক্ষা গ্রহণৰ ক্ষেত্রত হেমচন্দ্র বৰুৱাই কি কি অসুবিধাৰ সম্মুখীন হৈছিল? 'আত্মজীৱনচৰিত' পাঠটিৰ সহায়ত আলোচনা কৰা।

৫। (ক) " 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত সত্রকেন্দ্রিক অসমৰ অঞ্চল বিশেষৰ ছবি সুন্দৰকৈ ফুটি ওলাইছে।" আঞ্চলিক উপন্যাস হিচাপে উপন্যাসখনৰ বিশেষত্বসমূহ ফঁহিয়াই দেখুওৱা। ২০

*অথবা*

(খ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰা। উপন্যাসখনিত ব্যৱহাৰ হোৱা উপমাসমূহৰ সৌন্দৰ্য বিশ্লেষণ কৰা।

৬ (ক) " 'ব্যৰ্থতাৰ দান' গল্পটিত নাৰীৰ আপোন সৌন্দৰ্য-তৃষ্ণাত মগ্ন হোৱা অৱস্থা লিলিৰ মাজেদি অতি আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে।" এই উক্তিৰ যথাৰ্থতা আলোচনা কৰা। ১৫

*অথবা*

(খ) "লক্ষ্মীনন্দন বৰাৰ 'সখা দামোদৰ' গল্পটিৰ মাজেৰে কৃষিজীৱী সমাজ জীৱনৰ জটিলতা অথচ এনে জটিলতাৰ মাজেৰে ফুটি উঠা জীৱনৰ সৌন্দৰ্য অতি সুন্দৰভাবে প্ৰকাশ পাইছে।" মন্তব্যটিৰ সাৰ্থকতা সম্পৰ্কে আলোচনা কৰা।

*অথবা*

(গ) 'অবিনাশী স্বপ্ন' গল্পটিত নাৰীৰ প্ৰতি থকা দিবাকৰৰ বিৰূপ মনোভাব মালতীৰ ক্ষেত্ৰত কেনেদৰে পৰিৱৰ্তন ঘটিছিল? তেওঁলোকৰ প্ৰেমে সাৰ্থকতা কিয় লাভ কৰিব নোৱাৰিলে, গল্পটিৰ সহায়ত আলোচনা কৰা।

## PART—II

( *Marks* : 10 )

**( আভ্যন্তৰীণ মূল্যায়নৰ পৰিৱৰ্তে )**

৭। (ক) "পাৰিপাৰ্শ্বিক সমাজ আৰু সমসাময়িক জগতৰ চিন্তা প্ৰবাহৰ লগত নিজৰ ভাৱধাৰাৰ সামঞ্জস্য কৰিব নোৱাৰাটোয়েই আমিয়েলৰ কৰুণ অৱস্থাৰ মূল কাৰণ।" এই কথাষাৰ বিশদভাৱে ব্যাখ্যা কৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণতত্ত্ব' প্ৰবন্ধটোত লক্ষ্মীনাথ বেজবৰুৱাই মায়াৰ স্বৰূপ কিদৰে ব্যাখ্যা কৰিছে, বিচাৰ কৰা।

★★★